Total No. of Printed Pages—3

## 3 SEM TDC ASMH (CBCS) C 6

**2 0 2 1**

( Held in January/February, 2022 )

ASSAMESE

( Core )

Paper : C–6

( অসমীয়া কবিতাৰ চানেকি )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া কবিতাৰ লিখিত ৰূপৰ নিদর্শন প্রথমে ক'ত পোৱা গৈছিল ?

(খ) বিহুনাম, বিয়ানাম, আইনাম আদি কোন শ্রেণীৰ কবিতা ?

(গ) 'জিকিৰ' শব্দটো কোন ভাষাৰ, কি শব্দৰ পৰা অহা বুলি কোৱা হয় ?

(ঘ) আজান ফকীৰৰ আচল নাম কি আছিল ?

(ঙ) 'নাহৰৰ মালিতা'—কোন শ্রেণীৰ কবিতা ?

(চ) 'চৰ্যাগীতিকোষ' নামৰ গ্ৰন্থখন নেপাল ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা কোনে উদ্ধাৰ কৰি আনিছিল ?

(ছ) 'উষা পৰিণয়' কাব্যৰ ৰচক কোন ?

(জ) যাজ্ঞসেনী কোন ?

২। (ক) অসমীয়া কবিতাৰ উদ্ভৱ আৰু বিকাশৰ এক সংক্ষিপ্ত ইতিহাস দাঙি ধৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া কবিতাৰ ইতিহাসক কেইটা স্তৰত ভাগ কৰিব পাৰি ? তাৰে যি কোনো এটা স্তৰৰ কবিতা সম্পৰ্কে বিৰবি আলোচনা কৰাঁ। ৩+১২=১৫

৩। (ক) অসমীয়া লোককবিতাৰ ক্ষেত্ৰখন অতি প্ৰাচুৰ্যপূৰ্ণ—এই কথাৰ আঁত ধৰি অসমীয়া লোককবিতাৰ এটি পৰিচয়-জ্ঞাপক আলোচনা দাঙি ধৰাঁ। ১৪

*অথবা*

(খ) কবিজনাৰ চমু পৰিচয় দাঙি ধৰি তোমাৰ পাঠ্য জিকিৰটিৰ মূলভাৱ লিখাঁ। ৫+৯=১৪

৪। (ক) তোমাৰ পাঠ্য চৰ্যাপদটিৰ ভাৱাৰ্থ লিখাঁ। ১০

*অথবা*

(খ) চৰ্যাপদৰ ভাব আৰু দৰ্শন সম্পৰ্কে আলোচনা কৰাঁ। ৫+৫=১০

৫। (ক) মাধৱ কন্দলিৰ চমু পৰিচয় দাঙি ধৰি 'সুন্দৰাকাণ্ড' কাব্যখণ্ডৰ বিষয়বস্তুৰ আভাস আগবঢ়োৱাঁ। ৬+৯=১৫

অথবা

(খ) কবি পৰিচয় আগবঢ়াই 'নামঘোষা'ৰ পৰা উদ্ধৃত কৰা তোমাৰ পাঠ্য কবিতাটিৰ ভাৱাৰ্থ বৰ্ণনা কৰাঁ। ১৫

৬। (ক) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য উল্লেখ কৰি 'মাধুৰী' কবিতাটোৰ কাব্যিক সৌন্দৰ্যৰ বিষয়ত বিশদ আলোচনা দাঙি ধৰাঁ। ৫+১০=১৫

অথবা

(খ) "'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাটোৰ জৰিয়তে নাৰীৰ মৰ্যাদাবোধ আৰু অস্তিত্ব ৰক্ষাৰ এক বৈপ্লৱিক চেতনাৰ প্ৰকাশ পাইছে।" কথাষাৰৰ আঁত ধৰি কবিতাটোৰ বিশ্লেষণ আগবঢ়োৱাঁ। ১৫

৭। চমুকৈ লিখাঁ (যি কোনো এটা) : ৩

(ক) মালিতা

(খ) বৰগীত

(গ) ৰোমাণ্টিক কবিতা

★★★